অসম আদিত্য

প্ৰয়াত চিদানন্দ গগৈক স্মৰণ কৰি চমু বক্তব্য আগবঢ়ায়।

## জন্মস্থান লেপেটকটালৈ উভতিল শ্ৰমিক মইনা নায়ক

ষ্টাফ ৰিপৰ্টাৰ, ৭ ফেব্ৰুৱাৰী ঃ বিগত বৰ্ষৰ ১৯ জুলাই ডিব্ৰুগড় লেপেটকটা চাহ বাগিচাত সংঘটিত হৈছিল শিহৰণকাৰী ঘটনা। চাহ বাগিচা খনত কৰ্মৰত মইনা নায়ক নামৰ এগৰাকী চাহ শ্ৰমিকে বাগিচা ফেক্টৰীত কাম কৰি থাকোঁতে চিচিটি মেচিনত সোমাই গৈছিল। সম্পূৰ্ণৰূপে নষ্ট হৈ গৈছিল মইনা নায়কৰ মগজুৰ এটা অংশ। ঘটনাক কেন্দ্ৰ কৰি দেশজুৰি চৰ্চা হৈছিল। প্ৰায় সাতমাহ ধৰি গুৱাহাটী মেডিকেল কলেজত চিকিৎসাধীন হৈ থকা মইনা নায়ক আজি পৰাৰ ভাগত উপস্থিত হয়

## কানৈ মহাবিদ্যালয়লৈ নাকৰ 'এ' গ্ৰেড প্ৰদান

ডিব্ৰুগড়, ৭ ফেব্ৰুৱাৰী ঃ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ে ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ (নাক)ৰ 'এ' গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। ২ আৰু ৩ ফেব্ৰুৱাৰীত দক্ষিণ বিহাৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ ডীন ড০ শ্যামানন্দ সিং, পণ্ডিচেৰী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ শশীকান্ত দাশ আৰু মথুৰাৰ আৰ চি এ গাৰ্লছ (পি জি) কলেজৰ অধ্যক্ষ ড০ প্ৰীতি জোহাৰীসহ তিনিজনীয়া নাকৰ পৰিদৰ্শনকাৰী দলে মহাবিদ্যালয়খন পৰিদৰ্শন কৰে। মহাবিদ্যালয়খনৰ বিদ্যায়তনিক, প্ৰশাসনিক, ছাত্ৰ-ছাত্ৰীৰ মান, শৈক্ষিক অনুশীলনৰ ধাৰাবাহিকতা, ক্ৰীড়া-সংস্কৃতিৰ দিশৰ সফলতাক পৰিদৰ্শনকাৰী দলটোৱে ভূয়সী প্ৰশংসা কৰে। অন্যান্য দিশসমূহৰ উপৰি মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিক লৈ পৰিদৰ্শনকাৰী দলটোৱে সন্তোষ প্ৰকাশ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই নাকৰ ফলাফল লাভ কৰাৰ পিছতেই মত প্ৰকাশ কৰি কয়— বিগত পাঁচবছৰে মহাবিদ্যালয়খনক 'এ' গ্ৰেডৰ পৰ্যায়লৈ উত্তৰণ ঘটাবৰ বাবে সকলো অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে দিনে-নিশাই কঠোৰ পৰিশ্ৰম কৰিছিল। এনে কঠোৰ পৰিশ্ৰমৰ ফলশ্ৰুতিত মহাবিদ্যালয়খনে পূৰ্বৰ ২.৮৫ চিজিপিএৰ পৰা ৩.০৩ চিজিপিএলৈ উন্নীত হৈ 'এ' গ্ৰেড পাবলৈ সক্ষম হয়। এই মূল্যায়নৰ ফলত মহাবিদ্যালয়খনে নিজৰ শক্তি কি আৰু দুৰ্বলতা কি সেয়া জানিবলৈ সক্ষম হোৱা বুলিও তেওঁ কয়। অধ্যক্ষগৰাকীয়ে মহাবিদ্যালয়খনৰ অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ মৃদুল শৰ্মাৰ উন্নয়নমুখী দৃষ্টিভংগীকো ভূয়সী প্ৰশংসা কৰে। মহাবিদ্যালখনে নাকৰ 'এ' গ্ৰেড লাভ কৰাৰ পিছতেই মহাবিদ্যালয়খনৰ পৰিয়ালৰ মাজত আনন্দৰ বন্যা বৈছে।

## মদাৰখাটত হাইস্কুল শিক্ষান্ত পৰীক্ষা পৰিচালনা সমিতি গঠন

ডিব্ৰুগড়, ৭ ফেব্ৰুৱাৰী ঃ ডিব্ৰুগড় জিলাৰ বৃহত্তৰ মদাৰখাট মৌজাৰ একমাত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়খনে আগন্তুক হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে এখন সমিতি গঠন কৰে। আজি অনুষ্ঠিত এখন ৰাজহুৱা সভাত উক্ত সমিতিখন গঠন কৰা হয়। বিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ কেশৱ দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে বৰ্তমানৰ অধ্যক্ষা অৰ্পণা বৰগোহাঁয়ে। সভাখনত প্ৰাক্তন প্ৰধান শিক্ষক যতীন গোহাঁই, কল্যাণ গগৈ, হৰিকুমাৰ দত্ত, ৰাজু বুঢ়াগোহাঁই, হৰকান্ত দাস, যাদৱ গগৈ, কনৌজ শইকীয়া, নিয়ন্তা গোহাঁইকে প্ৰমুখ্যে কৰি কেন্দ্ৰটোৰ অধীনৰ পৰীক্ষা দিয়া তেৰখন বিদ্যালয়ৰ প্ৰধানসকল উপস্থিত থাকে। এই সভাতে আগন্তুক দুয়োটা পৰীক্ষাৰ বাবে